# প্ৰধানমন্ত্ৰী কাটাৰৰ দোহাত উপস্থিত

১৪ ফেব্ৰুৱাৰী ২০২৪

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী কাটাৰৰ চৰকাৰী ভ্ৰমণসূচীৰে আজি দোহাত উপস্থিত হয়। এইটো প্ৰধানমন্ত্ৰীৰ দ্বিতীয়টো কাটাৰ ভ্ৰমণ।২০১৬ চনৰ জুনত তেওঁপ্ৰথমবাৰকাটাৰ ভ্ৰমণ কৰিছিল।

২. দেশখনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী চুলতান বিন চাদ আল-মুৰাইখিয়েবিমানবন্দৰতপ্ৰধানমন্ত্ৰীক আদৰণি জনায়।

৩. দুদিনীয়া ভ্ৰমণৰ সময়ছোৱাত প্ৰধানমন্ত্ৰীয়ে আজি নিশা তেওঁৰ সন্মানাৰ্থে কাটাৰৰ প্ৰধানমন্ত্ৰী শ্বেখ মহম্মদ বিন আব্দুলৰহমান আল থানিৰ দ্বাৰা আয়োজিত এক নৈশ ভোজত অংশগ্ৰহণ কৰিব। ১৫ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰীয়ে কাটাৰৰ আমিৰ, শ্বেখ তামিম বিন হামাদ আল থানিক সাক্ষাৎ কৰি দ্বিপাক্ষিক তথা আঞ্চলিক আৰু গোলকীয় বিষয় সন্দৰ্ভত আলোচনা কৰিব।

**দোহা**
**১৪ ফেব্ৰুৱাৰী ২০২৪**